**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

১। ২০০১ চনত সংসদ ভৱনত সন্ত্ৰাসবাদীৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণাহুতি দিয়া বীৰ জোৱানসকলৰ স্মৃতিত ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে আজি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

২। ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলাৰ পূৰ্বে আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে ৭ হাজাৰ কোটি টকাৰ ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ভালেমান উন্নয়নমূলক প্ৰকল্প আজি প্ৰয়াগৰাজত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিব।

৩। বাংলাদেশে দেশখনৰ সংখ্যালঘূসকলক সুৰক্ষা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি ভাৰতে আস্থা প্ৰকাশ কৰিছে।

৪। লোকসভাত আজি ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাক লৈ এটা বিশেষ আলোচনা অনুষ্ঠিত হয়।

***আৰু***

৫। চীনৰ হাংঝৌত বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ ফাইনেলছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ গ্ৰুপ পৰ্যায়ৰ খেলত আজি ভাৰতীয় যুটী জাপানৰ হাতত পৰাজিত হয়।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২০০১ চনত সংসদ ভৱনত সন্ত্ৰাসবাদীৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণাহুতি দিয়া বীৰ জোৱানসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে সুৰক্ষা কৰ্মীসকলৰ সাহস আৰু নিস্বাৰ্থ সেৱাৰ কথা স্মৰণ কৰি কয়, যে তেওঁলোকে দেশবাসীক নিৰন্তৰভাৱে অনুপ্ৰাণিত কৰি আহিছে। ৰাষ্ট্ৰপতিয়ে লগতে এই ত্যাগৰ বাবে তেওঁলোকৰ ওচৰত দেশ সদায় কৃতজ্ঞ হৈ থাকিব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই সাহসী জোৱানসকলৰ ত্যাগে দেশবাসীক সদায় অনুপ্ৰাণিত কৰিব বুলি প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ সংসদভৱন চৌহদত এই সন্ত্ৰাসবাদী আক্ৰমণৰ ছহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰে।

০০০০০০

সংসদৰ দুয়োখন সদনতে আজি ২০০১ চনৰ সংসদ ভৱন আক্ৰমণৰ ঘটনাত নিহত ছহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দুয়োখন সদনৰ সদস্যসকলে সাহসী নিৰাপত্তাৰক্ষীসকলৰ স্মৃতিৰ প্ৰতি সন্মান জনাই মৌনতা অৱলম্বন কৰে। লোকসভাৰ কাৰ্যক্ৰমণিকাৰ বাবে সদন মিলিত হোৱাৰ সময়তে অধ্যক্ষ ওম বিৰলাই কয়, যে ২০০১

চনৰ এই দিনটোতেই সংসদৰ সজাগ নিৰাপত্তাৰক্ষীসকলে নিজৰ দৃষ্টান্তমূলক সাহস দেখুৱাই সন্ত্ৰাসবাদীৰ কু-প্ৰচেষ্টাক বিফল কৰি তুলিছিল। তেওঁ কয়, যে আক্ৰমণৰ সময়ত সংসদৰ নিৰাপত্তাৰ সেৱাত নিয়োজিত লোক, দিল্লী আৰক্ষী, চি আৰ পি এফ আৰু চি পি ডব্লিউ ডিৰ এজন কৰ্মচাৰী ছহীদ হয়। তেওঁ কয়, যে এই দিনটোত সদনে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজ দিয়াৰ সংকল্প পুনৰবাৰ প্ৰকাশ কৰিছে।

ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ে কয়, যে আজি সংসদভৱন আক্ৰমণৰ কৰুণ ঘটনাই ২৩ টা বৰ্ষ অতিক্ৰম কৰিলে। তেওঁ কয়, যে নিৰাপত্তাৰক্ষীসকলৰ সাহস আৰু দৃঢ়তাই সন্ত্ৰাসবাদীৰ কু-অভিপ্ৰায় বিফল কৰি তুলিছিল। এই দিনটো দেশৰ একতাৰ লগতে নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ দিশ সমূহো চালি-জাৰি চাবলৈ বিশেষভাৱে পালন কৰাৰ প্ৰয়োজন বুলিও তেওঁ মত পোষণ কৰে। তেওঁ লগতে কয়, যে দেশৰ একতা, স্বাধীনতা আৰু ন্যায় ৰক্ষাৰ বাবে দেশবাসীয়ে দৃঢ়তাৰে থিয় দিয়া উচিত।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ২০২৫ বৰ্ষৰ মহাকুম্ভ মেলাৰ পূৰ্বে প্ৰয়াগৰাজৰ আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে ৭ হাজাৰ কোটি টকাৰ ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ভালেমান উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত ১০ খন নতুন উৰন সেঁতু, নদী ঘাট, নদীৰ দাঁতিৰ পথ আদি সামৰি লোৱা হৈছে। এই প্ৰকল্পসমূহে প্ৰয়াগৰাজ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ মাজত যোগাযোগ অধিক সুচল কৰি তুলিব। শ্ৰীমোদীয়ে লগতে গংগা নৈলৈ অপৰিশোধিত আৱৰ্জনা বোৱাই নিয়াত বাধা প্ৰদান কৰাৰ উদ্দেশ্যে কেইটামান প্ৰকল্পও মুকলি কৰিব।

তেওঁ গংগা, যমুনা আৰু সৰস্বতী নৈৰ সংগমস্থল ত্ৰিবেনী সংগমত আনুষ্ঠানিকভাৱে পূজা অৰ্চনা আগবঢ়াব। তেওঁ লগতে মহাকুম্ভ মেলা অনুষ্ঠিত হ'বলগীয়া অঞ্চলো পৰিদৰ্শন কৰিব আৰু প্ৰস্তুতিৰ বুজ ল'ব। প্ৰয়াগৰাজত অহা বছৰ ১৩ জানুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ মহাকুম্ভ মেলা অনুষ্ঠিত হ'ব।

০০০০০০

বাংলাদেশে নিজ দেশত সংখ্যালঘুসকলক সুৰক্ষা প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি ভাৰত আশাবাদী। লোকসভাত পৰিপূৰক প্ৰশ্নৰ উত্তৰত বৈদেশিক মন্ত্ৰী ড০ এছ জয়শংকৰে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বাংলাদেশত সংখ্যালঘুসকলৰ ওপৰত হোৱা একাধিক আক্ৰমণ চিন্তাৰ বিষয় হৈ পৰিছে আৰু এই কথা ভাৰতে বাংলাদেশৰ কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিছে। শেহতীয়াকৈ ভাৰতৰ বৈদেশিক সচিবে ঢাকা ভ্ৰমণ কৰা বুলি বৈদেশিক মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বাংলাদেশত ভাৰতৰ উন্নয়নমূলক প্ৰকল্পৰ এটা ভাল ইতিহাস আছে বুলি মতামত প্ৰকাশ কৰি ড০ এছ জয়শংকৰ বাংলাদেশত নতুন ব্যৱস্থাৰ জড়িয়তে পাৰস্পৰিকভাৱে লাভজনক আৰু সুস্থিৰ সম্পৰ্ক স্থাপন হোৱাৰ আশা প্ৰকাশ কৰে।

০০০০০০

লোকসভাত আজি ভাৰতীয় সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাক লৈ এটা বিশেষ আলোচনা অনুষ্ঠিত হয়। আলোচনাত আগভাগ লৈ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে ভাৰতীয় সংবিধানে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনৰ সকলো দিশকে স্পৰ্শ কৰি জাতি গঠনৰ প্ৰক্ৰিয়াৰ প্ৰশস্ত কৰি তুলিছে। তেওঁ কয়, যে এই সংবিধান হৈছে দেশৰ সভ্যতা আৰু মূল্যবোধৰ প্ৰকাশ। মন্ত্ৰীগৰাকীয়ে কয়, যে ৭৫ বছৰ পূৰ্বে সংবিধান সভাই ন-কৈ স্বাধীন হোৱা ভাৰতৰ বাবে এখন সংবিধান প্ৰস্তুতৰ বাবে প্ৰক্ৰিয়া চলাইছিল। ৩ বছৰীয়া বিতৰ্ক আৰু

বিবেচনাৰ পাছত দেশে এখন সংবিধান লাভ কৰে। তেওঁ কয়, যে সংবিধানসভাই প্ৰস্তুত কৰি উলিওৱা এই সংবিধান কেৱল নথিয়েই নহয়, ই জনসাধাৰণৰো ইচ্ছাৰ এক প্ৰকাশ।

০০০০০০

লাডাখত শীতকালীন পৰ্যটন আৰু ক্ৰীড়াৰ প্ৰসাৰৰ দিশত এটা পদক্ষেপ হিচাপে জ্যেষ্ঠ স্কী প্ৰশিক্ষক চৈয়দ চামচুদ্দিনৰ নেতৃত্বত লাডাখ স্কী এণ্ড স্নোবোৰ্ড এছ'চিয়েছনৰ দলটোৱে পৰ্যটন বিভাগৰ সহকাৰী সঞ্চালক ৰেহমতুল্লাৰ সৈতে নামছুৰুত স্কী-ঢাল পৰিদৰ্শন কৰে। দলটোৱে এই ঢালটোক স্কী কাৰ্যকলাপৰ বাবে উপযোগী বুলি বিবেচনা কৰে। পৰিদৰ্শনৰ সময়ত উপস্থিত থকা স্থানীয় গাঁৱৰ লোকসকলে অঞ্চলটোৰ বৰফৰ পৰিস্থিতিৰ বিষয়ে তেওঁলোকৰ মতামত ব্যক্ত কৰি কয়, যে বছৰি গড়ে ২ৰ পৰা ৩ ফুট পৰ্যন্ত বৰফ পৰি অঞ্চলটো শীতকালীন ক্ৰীড়াৰ বাবে আদৰ্শ স্থান হৈ পৰে।

কাউন্সিলাৰ আগা আইনুল হুদাই এই পদক্ষেপক সম্পূৰ্ণ সমৰ্থন কৰাৰ আশ্বাস দি স্থানীয় যুৱক-যুৱতীসকলৰ বাবে স্কী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। তেওঁ কয়, যে এনে প্ৰচেষ্টাৰ মূল লক্ষ্য হৈছে, স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগৰ সৃষ্টি কৰা আৰু শীতকালীন পৰ্যটন কেন্দ্ৰ হিচাপে অঞ্চল'টোৰ সম্ভাৱনা  বৃদ্ধি কৰা।

০০০০০০

আই আই টি হায়দৰাবাদত অনুষ্ঠিত স্মাৰ্ট ইণ্ডিয়া হেকাথনত মুম্বাইস্থিত ৰেলিংকাৰ ইনষ্টিটিউট অব মেনেজমেণ্ট, নয়দা ইনষ্টিটিউট অব ইনঞ্জিনিয়াৰিং এণ্ড টেকন'ল'জী, যশ'ৱন্ত ছাৱন্ত ইঞ্জিনিয়াৰিং নাগপুৰ আৰু টেকন'মেইনছল্ট লেক কলকাতাই ছফটৱেৰ সংস্কৰণৰ কৃষিৰ ক্ষেত্ৰত পুৰস্কাৰ লাভ কৰিছিল।

একেদৰে নেচনেল ইনষ্টিটিউট অব টেকন'ল'জি শিলচৰ আৰু আই আই আই টি নাগপুৰেও পুৰস্কাৰ লাভ কৰিছে। সেইদৰে ডাটা মেঘে কলেজ অব ইঞ্জিনিয়াৰিং, গাৱালিয়ৰৰ আই আই আই টি এণ্ড মেনেজমেণ্ট ইনষ্টিডিউট, কাণপুৰৰ ছাত্ৰপতি ছাহুজী মহাৰাজ ইউনিভাৰ্ছিটি আৰু পুনে আই আই আই টিয়ে বিভিন্ন শিতানত পুৰস্কাৰ লাভ কৰিছে।

০০০০০০

দিল্লীৰ ছখনকৈ বিদ্যালয়ত আজি পুৱাৰ ভাগত বোমা বিস্ফোৰণ সংঘটিত হ'ব বুলি ই-মেইল যোগে জানিব পৰা যায়। এই তথ্য লাভ কৰাৰ লগে লগে কৰ্তৃপক্ষই আটাইকেইখন বিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰীসকলক ঘৰলৈ ঘূৰাই পঠিয়াই। দিল্লী অগ্নি নিৰ্বাপক সেৱাৰ সঞ্চালক অতুল গাৰ্গে কয়, যে পশ্চিম বিহাৰৰ ভাটনগৰ ইণ্টাৰনেচনেল স্কুল, কেমব্ৰিজ স্কুল শ্ৰীনিবাসপুৰী, ডি পি এছ অমৰ কলনি, ছাউথ ডেলহি পাব্লিক স্কুল, ডিফেন্স ক'লনি, ডি পি এছ ছফদাৰজং এনক্লেভ আৰু ভেংকতেশ্বৰ গ্ল'বেল স্কুল ৰোহিনীয়ে বোমা বিস্ফোৰণৰ ভাবুকি পোৱাৰ পিছত বোমা ধৰা পেলোৱা দল আৰু অগ্নি নিৰ্বাপক বিষয়াসকল বিদ্যালয়কেইখনত উপস্থিত হয়।

এসপ্তাহৰ পূৰ্বে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ কেইখনমান স্কুলতো  বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হ'ব বুলি মেইল লাভ কৰা গৈছিল।

০০০০০০

ছত্তিশগড়ত আজি নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত দুজন মাওবাদী নিহত হয়। চি আৰ পি এফৰ ক'ব্ৰা বেটেলিয়ন আৰু জিলা ৰিজাৰ্ভ বাহিনীৰ যুটীয়া অভিযানত নিহত মাওবাদী দুজনৰ পৰা নিৰাপত্তাৰক্ষীৰয়ে বহুসংখ্যক অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। অঞ্চলটোত এতিয়া অভিযান অব্যাহত আছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ প্ৰচাৰিত হ'ব।

০০০০০০

চীনৰ হাংঝৌত অনুষ্ঠিত বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ ফাইনেলছ্ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত আজি ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ নামি মাটছুয়ামা আৰু ছিহাৰু ছিদাৰ যুটীৰ হাতত ১৭-২১, ১৩-২১ গেমত পৰাস্ত হয়।

এই প্ৰতিযোগিতাখনত প্ৰতিনিধিত্ব কৰা ভাৰতৰ একমাত্ৰ যুটীটোৰ পৰাজয়ৰ পাছতে বি ডব্লিউ এফ ৱাৰ্ল্ড টুৰ ফাইনেলত ভাৰতৰ অভিযানৰ অন্ত পৰে।

০০০০০০

সমাপ্ত